অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং : ৪৭
উত্তৰ দিয়াৰ তাৰিখ : ১৫/০৩/২০২৩
*বিষয়ঃ* **গৰুখুটি কৃষি প্ৰকল্প সম্পৰ্কে।**
বিধায়কৰ নাম : শ্ৰী আব্দুৰ ৰহিম আহমেদঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰে দৰং জিলাৰ গৰুখুটিত আৰম্ভ কৰা কৃষি প্ৰকল্পত চলিত বিত্তীয় বৰ্ষত মুঠতে কিমান কোটি টকা পুঁজি আৱণ্টন দিছিল ? তাৰে কিমান কোটি টকা এতিয়ালৈকে মোকলাই দিছে ?

(খ) মুকলি হোৱা পুঁজি কি কি শিতানত কিমান কিমান টকা খৰচ কৰিছে সবিশেষ জনাব।

(গ) চলিত বিত্তীয় বৰ্ষত গৰুখুটি কৃষি প্ৰকল্পত কি কি শস্য উৎপাদন হৈছে ? কোন শস্য কিমান কুইণ্টল কৈ উৎপাদন হৈছে বিতংভাবে জনাব।

(ঘ) গৰুখুটি কৃষি প্ৰকল্পৰ উৎপাদিত কৃষি শস্যৰ পৰা আজিলৈকে অসম চৰকাৰে কিমান টকা ৰাজহ লাভ কৰিছে ? সবিশেষ জনাব।

(ঙ) গৰুখুটি কৃষি প্ৰকল্পৰ বাবে অসম চৰকাৰে গুজৰাটৰ পৰা কিমানটা গীৰ গাই কিমান টকাত কিনি আনিছিল ? তাৰে কিমানটা গাই এতিয়া কৃষি প্ৰকল্পত আছে ?

(চ) প্ৰতিদিনে কিমান লিটাৰ গাখীৰ উৎপাদন হয় ?

(ছ) গৰুখুটি কৃষি প্ৰকল্পত আজিলৈকে মুঠতে কিমানজন নিবনুৱা যুৱক-যুৱতী সংস্থাপিত হৈছে ?

<u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী অতুল বৰা দেৱে উত্তৰ দিব :

(ক) অসম চৰকাৰে দৰং জিলাৰ গৰুখুটিত আৰম্ভ কৰা কৃষি প্ৰকল্পৰ চলিত বিত্তীয় বৰ্ষত ৬৫০.০০ লাখ টকা আৱণ্টন দিছিল। চলিত বিত্তীয় বৰ্ষ ২০২২-২৩ ত মুঠ ৫00.00 লাখ টকা মোকলাই দিয়া হৈছে বিতং তথ্য **Annexure-I** ত PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

(খ) বিতং তথ্য **Annexure-II** ত PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

(গ) বিতং তথ্য **Annexure-III** ত PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

(ঘ) বিতং তথ্য **Annexure-IV** ত PDF আকাৰে অনলাইন যোগে দাখিল কৰা হ'ল।

(ঙ) গৰুখুটি কৃষি প্ৰকল্পৰ বাবে অসম চৰকাৰে গুজৰাটৰ পৰা প্ৰথম পৰ্যায়ত ৯৮ টা গৰুৰ বাবদ ব্যয় হোৱা ধনৰ পৰিমান ৮২,০৬,৬২৫ টকা। দ্বিতীয় পৰ্যায়ত ২৫ টা গৰু APART ৰ পৰা যোগান ধৰা হয়। তৃতীয় পৰ্যায়ত ৩০০ গৰু NDDB ৰ জৰিয়তে অনা হয় যদিও পৰবৰ্ত্তী পৰ্যায়ত এই ৩০০ গৰু ঘুৰাই নিয়ে আৰু তাৰ বাবদ আবণ্টিত ধন খৰচ নোহোৱাকৈ প্ৰকল্পৰ একাউন্টত জমা আছে।বৰ্তমান প্ৰকল্পত মুঠ ১২২ জনী গীৰ প্ৰজাতিৰ গাই গৰু আৰু এটা দমৰা গৰু আৰু ১৭৬ টা পোৱালি কৃষি প্ৰকল্পত আছে। গীৰ গাই কিনিবলৈ ধাৰ্য্য কৰা মুঠ ধনৰ পৰিমান আছিল ৪ কোটি।

(চ) দৈনিক গড়ে ২৪৫ লিটাৰ গাখীৰ উৎপাদন হয়।

(ছ) গৰুখুটি বহুমূখী কৃষি প্ৰকল্প সমিতি পৰিষদীয় সদস্যৰ ইং ১৯ চেপ্তেম্বৰ ২০২২ ৰ প্ৰথম বৈঠকত দাঙি ধৰা তথ্য অনুসৰি বৰ্তমান দৈনিক ভাট্টাৰ বিনিময়ত ৩৪৪ লোক (যুৱকৰ সংখ্যা ২৬৯ আৰু যুৱতীৰ সংখ্যা ৭৫) প্ৰকল্পত কৰ্মৰত হৈ আছে।

*************

Annexure-I

(ক) চলিত বিত্তীয় বৰ্ষ ২০২২-২৩ ত ,প্ৰকল্পত তলত উল্লেখিত শিতানত সৰ্বমুঠ ৫,০০,০০,০০০.০০ টকা মোকলাই দিয়া হৈছিল:

| FUND RECEIPT | | | |
| --- | --- | --- | --- |
| Fund release order | Purpose | Date of receipt | Amount received |
| Agri/Dev-Crop/Seed/Community Dev. Prog/315/2022-23/149 Dated 15/12/2022 | Construction of Additional Goshala, Maintenance of Goshala, Contingency (POL, Vehicle Hiring, Boat, etc), Animal Health Care & Medicine | 15/12/2022 | 1,90,00,000.00 |
| Agri/Dev-Crop/Seed/Community Dev. Prog/315/2022-23/150 Dated 15/12/2022 | Recurring cost of fish farming, Training & Capacity of Building of Manpower; Cost of Seeds & other related Inputs; Operating Cost, Maintenance of Farm Machineries, Silage & Fodder | 15/12/2022 | 1,30,00,000.00 |
| Agri/Dev-Crop/Seed/Community Dev. Prog/315/2022-23/151 Dated 15/12/2022 | Wages to Manpower | 15/12/2022 | 1,80,00,000.00 |
| GRAND TOTAL | | | 5,00,00,000.00 |

Annexure - II

(ঘ) মুকলি হোৱা পুঁজি তলত উল্লেখিত বিতংমতে এনে ধৰণে খৰচ কৰা হ'ল।

| SL No | Head of Expenditure | Clearing of Pending Liabilities while operating from the O/o the DC Darrang | Clearing of Liabilities incurred by GBKPS | Grand Total |
|---|---|---|---|---|
| 1 | ANIMAL FEED | ₹ 23,74,972.00 | ₹ 32,80,107.00 | ₹ 56,55,079.00 |
| 2 | CONTINGENCIES | | ₹ 3,08,440.00 | ₹ 3,08,440.00 |
| 3 | FARM & MACHINERY | | ₹ 8,39,739.00 | ₹ 8,39,739.00 |
| 4 | FOOD | ₹ 12,37,204.00 | ₹ 13,09,187.00 | ₹ 25,46,391.00 |
| 5 | Operating Expenses | ₹ 2,36,744.00 | ₹ 3,11,278.00 | ₹ 5,48,022.00 |
| 6 | POL | | ₹ 33,90,752.00 | ₹ 33,90,752.00 |
| 8 | SALARY | | ₹ 1,09,83,523.00 | ₹ 1,09,83,523.00 |
| 9 | SEED PURCHASE | | ₹ 57,69,468.00 | ₹ 57,69,468.00 |
| | Grand Total | ₹ 38,48,920.00 | ₹ 2,61,92,494.00 | ₹ 3,00,41,414.00 |

Annexure – III

(গ) গৰুখুটিবহুমুখীকৃষিপ্ৰকল্পসমিতিৰ কৃষি দায়িত্বত থকা উপকৃষিপৰিদৰ্শকে দাখি ধৰাতথ্যঅনুসৰিতলতদিয়াশস্যৰনামআৰুউৎপাদনৰবিশদবিৱৰণমহোদয়ৰজ্ঞাতাৰ্থেপ্ৰেৰণকৰাহয়।

**গৰুখুটিবহুমুখীকৃষিপ্ৰকল্পকৰাশস্য ৰ নামতালিকা ও উৎপাদনৰবিশদবিৱৰণ-**

| ক্ৰ. নং | শস্যৰনাম | উৎপাদন | মন্তব্য |
|---|---|---|---|
| ১ | মাটিমাহ | ১১৮.৯৬কুইণ্টল | |
| ২ | ৰঙালাউ | ১৫৮৩ কুইণ্টল | |
| ৩ | তিল | ২৬.৪৩ কুইণ্টল | |
| ৪ | সৰিয়হ | ৭৩২.০২ কুইণ্টল | |
| ৫ | মটৰ | ৯৯.০৬ কুইণ্টল | |
| ৬ | তিতাকেৰেলা | ৭.৫৫ কুইণ্টল | |
| ৭ | পানীলাউ | ৬.৪৯ কুইণ্টল | |
| ৮ | জলকীয়া | ৮.৮২ কুইণ্টল | |
| ৯ | ভেন্দি | ৩৯.৬০ কুইণ্টল | |
| ১০ | বিলাহী | ১৫.৭১ কুইণ্টল | |
| ১১ | বন্ধাকবি | ৪৫.৮৩ কুইণ্টল | |
| ১২ | ওলকবি | ২৬.৯৩ কুইণ্টল | |
| ১৩ | ফুলকবি | ১.৮৯ কুইণ্টল | |
| ১৪ | ব্ৰক'লি | ১৯.১২ কুইণ্টল | |
| ১৫ | বিন | ২৬.৪৯ কুইণ্টল | |
| ১৬ | বেঙেনা | ১৯.৮০ কুইণ্টল | |
| ১৭ | গাজৰ | ৫.৮১ কুইণ্টল | |
| ১৮ | লাইশাক | ১.২৫ কুইণ্টল | |
| ১৯ | পালেংশাক | ২.৫৫ কুইণ্টল | |

Annexure – IV.

(ঘ) :

গৰুখুটিপ্ৰকল্পপৰিচালনা২১জুলাই২০২২তাৰিখলৈদৰংজিলাউপায়ুক্তকাৰ্যালয়ৰপৰাদৰংজিলাকৃষি বিষয়াৰ কাৰ্যালয়ৰসহায়তকৰাহৈছিল। আৰুতাৰপিছতঅসমচৰকাৰৰকেবিনেটসিদ্ধান্তমৰ্মেএখনস্থায়ীসমিতিয়েপৰিচালনাকৰিবলয়।

দৰংজিলাকৃষি বিষয়াৰ কাৰ্যালয়ৰপৰাপোৱাতথ্যঅনুসৰিপুৰ্বতে কৃষি শস্য উৎপাদনকৰিপোৱাউপাৰ্জনৰপৰিমানএনেধৰন –

| Sl No | Particulars | Amount (in rupees) |
|---|---|---|
| 1. | Vegetables | 6,29,891.00 |
| 2. | Straw Berry | 26,560.00 |
| 3. | Watermelon | 180 |
| 4. | Sesamum | 3,54,820.00 |
| 5. | Black Gram | 29,95,022.00 |
| 6. | Mustard | 47,82,910.00 |
| 7. | Maize | 8,91,902.00 |
| 8. | Other Misc. items. | 79,278.00 |
| | TOTAL | 97,60,563.00 |

(বিঃদ্রঃ - পশুপালন / দুগ্ধউৎপাদনকৰিপোৱাউপাৰ্জনৰপৰিমান সন্নিবিষ্ট নাই।)

গৰুখুটি বহুমুখী কৃষি প্ৰকল্প সমিতিয়ে প্ৰকল্পপৰিচালনাকৰাৰ পাছত কৃষি শস্য উৎপাদনকৰিআজিতাৰিখলৈ পোৱাউপাৰ্জনৰপৰিমানএনেধৰন –

| Sl No | Particulars | Amount (in rupees) |
|---|---|---|
| 1. | Black Gram | ₹ 5,24,928.00 |
| 2. | Mustard | ₹ 22,70,142.00 |
| 3. | Pig | ₹ 5,26,200.00 |
| 4. | Piglets | ₹ 50,000.00 |
| 5. | Pumpkin | ₹ 12,37,592.00 |
| 6. | Sesamum | ₹ 2,11,649.00 |
| 7. | Vegetable | ₹ 5,13,658.00 |
| | Grand Total | ₹ **53,34,169.00** |

(বিঃদ্রঃ - পশুপালন / দুগ্ধউৎপাদনকৰিপোৱাউপাৰ্জনৰপৰিমান সন্নিবিষ্ট নাই।প্ৰায় 1140 বিঘাৰ মাকৈএতিয়াও শস্যপথাৰত আছেআৰু সম্পূৰ্ণ সৰিয়হ বিক্ৰীহোৱা নাই।)